# 2014

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) মহাপুৰুষ শংকৰদেৱৰ জন্ম কোন খৃষ্টাব্দত হৈছিল ?

(খ) ঊষা কোন আছিল ?

(গ) লোকগীতৰ আৰ্হিত ৰচিত লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা এটিৰ নাম লিখা।

(ঘ) কবি অমূল্য বৰুৱাৰ জন্ম কোন চনত হৈছিল ?

(ঙ) 'সুগন্ধি পখিলা'ৰ কবি বুলি ক'লে কোনগৰাকী কবিক বুজা যায় ?

(চ) 'বন্দো কি ছন্দেৰে' কবিতা-পুথিখনৰ ৰচক কোন ?

(ছ) 'জোনাকী' আলোচনীখনৰ প্ৰথম সম্পাদক কোন ?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) ‘কীৰ্তন’ আৰু ‘গুণমালা’ পুথি দুখনৰ ৰচক কোন?

(খ) ত্ৰিজগত বুলিলে কি বুজা?

(গ) গেৰিবল্ডি কোন?

(ঘ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ দুখন কবিতা-পুথিৰ নাম লিখা।

৩। নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) “হীন-নীচতাৰ আছে যি জাহি-জাবৰ
সাৰি-পুছি মই কৰি তোলো মনোহৰ।”

উদ্ধৃত কবিতাংশ তোমাৰ পাঠ্যপুথিৰ কোনটো কবিতাৰ পৰা অনা হৈছে? কবিয়ে সাৰি-পুছি কি সুন্দৰ কৰাৰ কথা কৈছে, আলোচনা কৰা।

(খ) বেজবৰুৱাৰ ‘মালতী’ কবিতাটিৰ চমু আলোচনা কৰা।

(গ) কবি কমলাকান্ত ভট্টাচাৰ্য্যৰ ‘পাহৰণি’ কবিতাটিত কবিয়ে কিয় পাহৰণিক ৰাক্ষসিনীৰ লগত তুলনা কৰিছে? পাহৰণিয়ে তেওঁৰ কি অমূল্য সম্পদ নিজৰ পেটত সুমুৱালে? ইয়াৰ বাবে দায়ী কোন?

(ঘ) মাধৱদেৱৰ বৰগীত ‘তেজৰে কমলাপতি’ত কোনবিধ ৰসৰ সমাহাৰ হৈছে, বৰগীতটিৰ কাহিনীৰ আধাৰত চমুকৈ লিখা।

৪। নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) হীৰেণ ভট্টাচাৰ্য্যৰ 'মোৰ দেশ' কবিতাটিৰ মাজেৰে প্ৰকাশিত 'স্বদেশপ্ৰেম' সম্পৰ্কে আলোচনা কৰা।

(খ) 'বিপ্লৱী' কবিতাটোত অমূল্য বৰুৱাৰ সংগ্ৰামী মনটোৱে কি বিচাৰিছে, চমুকৈ লিখা।

(গ) 'শৰৎ বৰ্ণনা' নামৰ কবিতাটিত ভক্তিৰ মহত্ত্ব প্ৰকাশ কৰিবলৈ কবিয়ে কি কি উপায় অৱলম্বন কৰিছে, আলোচনা কৰা।

(ঘ) 'নিয়ৰ' কবিতাটিৰ মাজেৰে ৰোমাণ্টিক কবিতাৰ লক্ষণসমূহ কিদৰে প্ৰতিফলিত হৈছে, উদাহৰণসহ আলোচনা কৰা।

(ঙ) সাম্প্ৰতিক অসমীয়া কবিতাৰ কবিতাশৈলীৰ বিশেষত্বসমূহ আলোচনা কৰা।

(চ) বৰগীতৰ বৈশিষ্ট্যসমূহ কি কি, উদাহৰণসহ চমুকৈ আলোচনা কৰা।

★★★